# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 04-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্ৰুনেইৰ সফল ভ্ৰমণ সামৰি আজি বিয়লি ছিংগাপুৰৰ লিয়ন চহৰত উপস্থিত হয়।

২। কেন্দ্ৰীয় চৰকাৰ, ত্ৰিপুৰা চৰকাৰ, নেচনেল লিবাৰেশ্বন ফ্ৰন্ট অৱ ত্ৰিপুৰা-এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফোৰ্ছ-এ টি টি এফৰ প্ৰতিনিধিসকলৰ মাজত আজি নতুন দিল্লীত এখন চুক্তি স্বাক্ষৰিত হয়।

৩। কেন্দ্ৰীয় চৰকাৰে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক ১০ চেপ্তেম্বৰৰ ভিতৰত চিকিৎসা প্ৰতিষ্ঠানত চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ সুৰক্ষাৰ বাবে লোৱা উপায় সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈ কৈছে। *আৰু*

৪। পেৰিছ পেৰালিম্পিকত ভাৰতৰ শ্বটপুট থ্ৰ'ৱাৰ শচীন খিলাৰীয়ে পুৰুষৰ শ্বটপুট এফ -46 ফাইনেলত ১৬ দশমিক ৩- ২ মিটাৰ থ্ৰ'ৰে ৰূপৰ পদক লাভ কৰে। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে পেৰালিম্পিকত পুৰুষৰ শ্বটপুট শিতানত ৰূপৰ পদক লাভ কৰাৰ বাবে শচীন খিলাৰীক অভিনন্দন জনাইছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ব্ৰুনেইৰ সফল ভ্ৰমণ সামৰি আজি বিয়লি ছিংগাপুৰৰ লিয়ন চহৰত উপস্থিত হয়। শ্ৰীমোদী প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ আমন্ত্ৰণমৰ্মে দেশখনলৈ গৈছে। ছিংগাপুৰৰ গৃহমন্ত্ৰী গৃহ পৰিক্ৰমা আৰু আইন মন্ত্ৰী কে ছনমুগমে প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনায়। প্ৰধানমন্ত্ৰী হোটেলত উপস্থিত হোৱাৰ সময়ত দেশখনত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে তেওঁক বিপুলভাৱে আদৰণি জনায়। ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীয়ে শ্ৰীমোদীৰ সন্মানাৰ্থে ব্যক্তিগত নৈশ ভোজৰ আয়োজন কৰিছে। দুয়োগৰাকী নেতাই কাইলৈ ভাৰত আৰু ছিংগাপুৰৰ মাজৰ কৌশলগত সহযোগিতাৰ অগ্ৰগতি পৰ্যালোচনা কৰিব আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় লৈ মত বিনিময় কৰিব। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী মোদী ছিংগাপুৰৰ ৰাষ্ট্ৰপতি আৰু অন্য গণ্য মান্য ব্যক্তিৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁ এ ই এম অৰ্ধপৰিবাহী উৎপাদন গোটো পৰিদৰ্শন কৰিব। প্ৰধানমন্ত্ৰী মোদী লগতে ছিংগাপুৰৰ বিভিন্ন কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হোৱাৰ কথা আছে। আমাৰ সংবাদদাতাই জনাইছে যে, ভাৰতৰ এক্ট ইষ্ট নীতিত গতি প্ৰদানৰ দিশৰ পৰা প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। শ্ৰীমোদী প্ৰায় ৬ বছৰ ব্যৱধানত ছিংগাপুৰ ভ্ৰমণলৈ গৈছে। ছিংগাপুৰৰ সৈতে ভাৰতৰ শক্তিশালী প্ৰতিৰক্ষা সহযোগিতা আছে আৰু শেহতীয়া সময়ত দেশ দুখনৰ মাজত বাণিজ্য আৰু বিনিয়োগ যথেষ্ট বৃদ্ধি পাইছে। ছিংগাপুৰ আছিয়ান অঞ্চলত ভাৰতৰ সৰ্ববৃহৎ ব্যৱসায়িক অংশীদাৰ আৰু প্ৰত্যক্ষ বিদেশি বিনিয়োগৰ অগ্ৰণি উৎস। ইয়াৰ পূৰ্বে ভাৰত আৰু ব্ৰুনেই আজি কৃত্ৰিম উপগ্ৰহ আৰু উৎক্ষেপন যানৰ বাবে টেলিমেট্ৰি অৰ্থাৎ দুৰমিতি, পৰ্যবেক্ষণ আৰু টেলিকামাণ্ড ষ্টেছন পৰিচালনা সহযোগিতা সন্দৰ্ভত এখন চুক্তিত স্বাক্ষৰ কৰে। দুয়োখন দেশে লগতে পাৰস্পৰিক স্বাৰ্থ জড়িত সকলো ক্ষেত্ৰত সম্পৰ্ক অধিক সুদৃঢ় আৰু গভীৰ কৰি তুলিবলৈ সন্মতি প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰুনেইৰ ছুলতান হাজী হচনল বোল্কিয়াৰ মাজত অনুষ্ঠিত প্ৰতিনিধি পৰ্যায়ৰ আলোচনাৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত দুয়োগৰাকী নেতাই প্ৰতিৰক্ষা, বাণিজ্য আৰু বিনিয়োগ, শক্তি, মহাকাশ প্ৰযুক্তি, স্বাস্থ্য আৰু ভেষজ, সামৰ্থ বৃদ্ধি, সংস্কৃতি আৰু জনসম্পৰ্কক ধৰি বিভিন্ন ক্ষেত্ৰৰ দ্বিপাক্ষিক সম্পৰ্কৰ বুজ লয়।

আলোচনাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, দুয়োখন দেশৰ বাবে উজ্বল ভৱিষ্যতৰ নিশ্চয়তা স্বৰূপ ভাৰতৰ এক্ট ইষ্ট নীতি আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীত ব্ৰুনেইৰ এটা গুৰুত্বপূৰ্ণ স্থান আছে। শ্ৰীমোদীয়ে লগতে তেওঁৰ তৃতীয় কাৰ্যকালৰ আৰম্ভণিতে ব্ৰুনেই ভ্ৰমণৰ সুযোগ লাভ আৰু চুলতানৰ সৈতে ভৱিষ্যত সম্পৰ্কে আলোচনা কৰিবলৈ পাই সন্তুষ্টি প্ৰকাশ কৰে। ভাৰত আৰু ব্ৰুনেইৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা স্থাপনৰ ৪০ সংখ্যক বাৰ্ষিকী উদযাপনৰ সময়ত গ্ৰহণ কৰা এই ভ্ৰমণ দ্বৈৰসংযোগৰূপে পৰিগণিত হোৱা বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে ব্ৰুনেইৰ চুলতানৰ নেতৃত্বত ভাৰত আৰু ব্ৰুনেইৰ মাজৰ সম্পৰ্ক দিনে দিনে শক্তিশালী হৈ উঠিছে। ভাৰতৰ জনসাধাৰণে ২০১৮ চনৰ গণৰাজ্য দিৱসৰ অনুষ্ঠানত ব্ৰুনেইৰ চুলতানে মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা আজিও গৌৰৱেৰে স্মৰণ কৰে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেঁও কয় যে, ভাৰত আৰু ব্ৰুনেই অনাগত সময়ত উভয় দেশৰ মাজৰ বাণিজ্যিক সম্পৰ্ক আৰু জনসম্পৰ্ক অধিক সুদৃঢ় কৰি তুলিব।

০০০

কেন্দ্ৰীয় চৰকাৰ, ত্ৰিপুৰা চৰকাৰ, নেচনেল লিবাৰেশ্বন ফ্ৰন্ট অৱ ত্ৰিপুৰা-এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফোৰ্ছ-এ টি টি এফৰ প্ৰতিনিধিসকলৰ মাজত আজি নতুন দিল্লীত এখন চুক্তি স্বাক্ষৰিত হয়। চুক্তি সম্পাদনৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহা আৰু গৃহ মন্ত্ৰালয় তথা ত্ৰিপুৰা চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। এই উপলক্ষে গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, এন এল এফটি আৰু এ টি টি এফে অস্ত্ৰ সম্বৰণ কৰি মূল সুঁতিলৈ উভতি অহাটো আনন্দৰ কথা। তেওঁ লগতে

ত্ৰিপুৰাৰ বিকাশৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে। তেওঁ কয় যে, নৰেন্দ্ৰ মোদী প্ৰধানমন্ত্ৰী হোৱাৰে পৰা তেওঁ শান্তি আৰু আলোচনাৰ মাধ্যমেৰে দেশৰ সন্মুখত সামৰ্থবান আৰু উন্নত উত্তৰ পূৰ্বাঞ্চলৰ দৃষ্টিভংগী উপস্থাপন কৰি আহিছে। প্ৰধানমন্ত্ৰী মোদীয়ে অকল পথ, ৰেল আৰু বিমান যোগাযোগৰ মাধ্যমেৰে উত্তৰ পূৰ্বাঞ্চল আৰু দিল্লীৰ জনসাধাৰণৰ মাজত পূৰ্বতে থকা ব্যৱধান দূৰ কৰাই নহয় বৰং জনসাধাৰণৰ হৃদয়ৰ মাজৰ ব্যৱধানো দূৰ কৰিবলৈ সমৰ্থ হৈছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। নৰেন্দ্ৰ মোদী চৰকাৰে উত্তৰ পূৰ্বাঞ্চললৈ শান্তি আৰু সমৃদ্ধি অনাৰ উদ্দেশ্যে বৰ্তমানলৈকে ১২ খন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ কৰিছে। ইয়াৰ ভিতৰত ত্ৰিপুৰা সম্পৰ্কীয় ৩ খন চুক্তিও আছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ দ্বাৰা স্বাক্ষৰিত বিভিন্ন চুক্তিৰ বাবে প্ৰায় ১০ হাজাৰ উগ্ৰপন্থীয়ে অস্ত্ৰ ত্যাগ কৰি মূল সুঁতিলৈ ঘূৰি আহিছে।

০০০

কেন্দ্ৰীয় চৰকাৰে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক ১০ চেপ্তেম্বৰৰ ভিতৰত চিকিৎসা প্ৰতিষ্ঠানত চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ সুৰক্ষাৰ বাবে লোৱা উপায় সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈ কৈছে। কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰাই এই সন্দৰ্ভত সকলো ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানসকললৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। তেওঁলোকক প্ৰত্যেক এলেকা আৰু জিলাৰ ভিৰ হোৱা চিকিৎসালয় চিনাক্ত কৰিবলৈ আৰু অগ্ৰাধিকাৰৰ ভিত্তিত সেই চিকিৎসালয়সমূহত কৰ্মৰত স্বাস্থ্যকৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ কোৱা হৈছে। তেওঁলোকক সুৰক্ষা ব্যৱস্থাৰ সংস্কাৰ আৰু উন্নয়নৰ হকে স্থানীয় স্বাস্থ্য আৰু আৰক্ষী কৰ্তৃপক্ষৰ সৈতে আলোচনা মৰ্মে নিৰাপত্তা ব্যৱস্থাৰ মূল্যায়ন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ৰাজ্যসমূহক লগতে বিপদাশংকা থকা এলেকাসমূহত চি চি টি ভি কেমেৰা স্থাপন কৰিবলৈ আৰু এইসমূহৰ তদাৰক কৰিবলৈ কোৱা হৈছে। তেওঁলোকক চিকিৎসালয়ত নিয়োজিত ঠিকাভিত্তিক কৰ্মচাৰী আৰু কৰ্মচাৰীসকলৰ পৃষ্ঠভূমি পৰীক্ষা কৰিবলৈও কোৱা হৈছে।

০০০

পেৰিছ পেৰালিম্পিকত ভাৰতৰ শ্বটপুট থ্ৰ'ৱাৰ শচীন খিলাৰীয়ে পুৰুষৰ শ্বটপুট এফ -46 ফাইনেলত ১৬ দশমিক ৩- ২ মিটাৰ থ্ৰ'ৰে ৰূপৰ পদক লাভ কৰে। শুটিঙত ৰুদ্ৰাংশ খান্দেলৱাল আৰু নিহাল সিং মিক্সড ৫০ মিটাৰ পিষ্টল SH-11 ইভেণ্টত ব্যৰ্থ হয়। নিহালে ১৯নম্বৰ স্থান দখল কৰাৰ বিপৰীতে ৰুদ্ৰাংশে ২২ নম্বৰ স্থান দখল কৰে। পেৰা টেবল টেনিছত W S4 শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ ভাৱিনা পাটিল, চীনৰ ঝৌ য়িঙৰ হাতত ১৪-১২, ১১-৯, ৮-১১, ১১-৬ ব্যৱধানত পৰাজিত হয়। পাৱাৰ লিফটিঙত পৰমজিৎ পুৰুষৰ ৪৯ কিলোগ্ৰাম ওজন শাখাত অষ্টম স্থানত থমকি ৰয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰালিম্পিকত পুৰুষৰ শ্বটপুট শিতানত ৰূপৰ পদক লাভ কৰাৰ বাবে শচীন খিলাৰীক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত কয় যে, শচীন খিলাৰীয়ে অশেষ জটিলতাক নেওচি বিশ্বমানৰ প্ৰদৰ্শন আগবঢ়াইছে। ৰাষ্ট্ৰপতিয়ে লগতে খেলুৱৈগৰাকীৰ উজ্বল ভৱিষ্যত কামনা কৰে। আনহাতে, প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে, খেলুৱৈগৰাকীৰ সাফল্য অসাধাৰণ সামৰ্থ আৰু দৃঢ়তা প্ৰদৰ্শনৰূপে পৰিগণিত হৈছে আৰু তেওঁক লৈ সমগ্ৰ ৰাষ্ট্ৰ গৌৰৱান্বিত।

০০০

ভাৰতীয় পেৰা বেডমিণ্টন দলটো আজি পেৰিছ পেৰালিম্পিক ২০২৪ ৰ পৰা পদক লৈ নতুন দিল্লীত উপস্থিত হৈছে। কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই ভাৰতীয় পেৰা বেডমিণ্টন দলটোক সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁলোকৰ সফলতাৰ প্ৰশংসা কৰে। ড০ মন্দাভিয়াই কয় যে, ভাৰতে এতিয়ালৈকে ২০ টা পদক লাভ কৰি টকিঅ' পেৰালিম্পিকত লাভ কৰা পদকৰ সংখ্যা অতিক্ৰম কৰিছে। মন্ত্ৰীগৰাকীয়ে যোৱাটো দশকত অলিম্পিক আৰু পেৰালিম্পিক দুয়োখনতে দেশৰ উন্নত প্ৰদৰ্শনৰ আলোকপাত কৰে। ড০ মন্দাভিয়াই খেলুৱৈসকলে অধিক সফলতা লাভ কৰিব বুলি আত্মবিশ্বাস প্ৰকাশ কৰে।

০০০

চৰকাৰে ১০০ কোটি ডলাৰৰ ৰপ্তানি ৰাজহৰ লক্ষ্যৰে গোলকীয় পৰ্যায়ত ভাৰতীয় এলক'হলিক আৰু নন এলক'হলিক পনীয়ৰ প্ৰসাৰৰ পৰিকল্পনা কৰিছে। কৃষি আৰু প্ৰসংস্কৰিত খাদ্য ৰপ্তানী উন্নয়ন প্ৰাধীকৰণে আগশাৰীৰ বিদেশী ৰাষ্ট্ৰসমূহলৈ ভাৰতীয় স্পিৰিটৰ ৰপ্তানী বৃদ্ধিৰ হকে কাম কৰি আছে। ভাৰত এলক'হলিক পানীয়ৰ ৰপ্তানীৰ ক্ষেত্ৰত ৪০ সংখ্যক স্থানত আছে।

০০০

ঃঃ সমাপ্ত ঃঃ